জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ২/২০২১**

**শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত ২১ সংখ্যক নৱবৰ্ষ মহোৎসৱত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে**

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে যি আধ্যাত্মিক, সাংস্কৃতিক আদৰ্শ প্ৰতিষ্ঠা কৰি গৈছে সেয়া যুগে যুগে প্ৰাসংগিক হৈ থাকিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ০১ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজে আয়োজন কৰা ২১ সংখ্যক নৱবৰ্ষ মহোৎসৱত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি কয় যে গুৰুজনাৰ আদৰ্শৰে প্ৰতিষ্ঠিত শ্ৰীমন্ত শংকৰৰদেৱ কলাক্ষেত্ৰ অকল সাংস্কৃতিক আৰু আধ্যাত্মিক উত্তৰণৰ স্থলী হৈয়ে থকা নাই, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ বিশ্ব মঞ্চলৈ ৰূপান্তৰিত হোৱাৰ দিশত অগ্ৰসৰ হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে যি আধ্যাত্মিক, সাংস্কৃতিক আদৰ্শ প্ৰতিষ্ঠা কৰি গৈছে সেয়া যুগে যুগে প্ৰাসংগিক হৈ থাকিব। সেই আদৰ্শৰে আমি সকলোৱে ভাতৃত্ববোধ আৰু সমন্বয়ৰ এখন সমাজ নিৰ্মাণ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ভক্তিৰ জৰিয়তে মানুহ শক্তিশালী হয় আৰু সমন্বয়ৰ ধাৰা বোৱাবলৈ সক্ষম হয়। পিতৃ-মাতৃ, জ্যেষ্ঠ নাগৰিক আৰু গুৰুসকলক ভক্তিভাৱেৰে সেৱা আগবঢ়ালে শান্তি লাভ কৰিব পৰা যায় বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মহাপুৰুষগৰাকীৰ আদৰ্শৰে আমি নৱপ্ৰজন্মক বৌদ্ধিক, সাংস্কৃতিক আৰু আধ্যাত্মিকতাৰ উমান দিব লাগিব। মুখ্যমন্ত্ৰীয়ে গুৰুজনাৰ বিভিন্ন দিশ সম্পৰ্কত সুক্ষ্ম গৱেষণা কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। ‘অসম দৰ্শন’ আঁচনিৰ জৰিয়তে নামঘৰ, সত্ৰ সংৰক্ষণ কৰাৰ লগতে গুৰুজনাৰ আদৰ্শৰ জৰিয়তে সমাজ শক্তিশালী কৰাৰ যাত্ৰাত যাতে অগ্ৰসৰ হ’ব পৰা যায় তাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। নামঘৰসমূহে সামাজিক শৃংখলাতাবোধ, সাংস্কৃতিক, বৌদ্ধিক, আধ্যাত্মিক দিশ শক্তিশালী কৰি আহিছে। আমাৰ পৰিচয় মানুহ হিচাপে প্ৰতিষ্ঠা কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে মানৱ প্ৰেমৰ অনুভূতিৰে আগবাঢ়ি যাব লাগিব বুলিও কয়। মুখ্যমন্ত্ৰীয়ে কয় যে বহুদিনৰ বিৰতিৰ অন্তত এতিয়া বিভিন্ন কাৰ্যসূচীৰে আমাৰ সমাজখন পুনৰ জীপাল পাই উঠিছে। ক’ভিড-১৯ ৰ পৰা এতিয়াও পৰিত্ৰাণ পোৱা নাই বুলি উল্লেখ কৰি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলক ক’ভিড-১৯ প্ৰট’কল মানি চলিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে শিল্পী সুদক্ষিণা শৰ্মা, কীৰ্তিকমল ভূঞা, কুল বৰুৱা, জ্যোতি নাথ বৰদলৈ আৰু ড° অমিয় মোহন দাসক সম্বৰ্দ্ধনা জনায়।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উপ সভাপতি তথা বিধায়ক আঙুৰলতা ডেকাই আদৰণী ভাষণ দিয়া আজিৰ এই অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, সাংস্কৃতিক বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়া, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰ, শিল্পী পুলক বেনাৰ্জী প্ৰমুখ্যে বিশিষ্ট শিল্পী, সাহিত্যিক আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**পুঃডেঃ**
**০১-০১-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in